পাঠ্যবিষয়ৰ পৰিচিতি ঃ নির্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন

এইখন অসমীয়া প্রধান বিষয় হিচাপে লৈ অধ্যয়ন কৰা শিক্ষার্থীসকলৰ ষষ্ঠ ষাণ্মাসিকৰ শেষৰটি পাঠবিষয়। এই পাঠ্যবিষয়টি দুটা শাখাত ভাগ কৰি প্রস্তুত কৰা হৈছে। প্রথম শাখাটোত দুগৰাকী নির্বাচিত সাহিত্যিকৰ কেইটামান সাহিত্যপাঠ অধ্যয়ন কৰিব লাগিব। নির্বাচিত সাহিত্যিক দুগৰাকী হ'ল — শংকৰদেৱ আৰু লক্ষ্মীনাথ বেজবৰুৱা। আনহাতে দ্বিতীয় ভাগটোত শিক্ষার্থীয়ে কোনো এক বিশেষ বিষয় সম্পর্কে এখন গৱেষণা পত্র প্রস্তুত কৰি জমা দিব লাগিব।

পাঠ্যবিষয়টিৰ প্রথম ভাগটিত সাতটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। প্রথম অধ্যায়টোত অসমীয়া জনসাধাৰণৰ মানসিক আৰু আধ্যাত্মিক উৎকর্ষ সাধন কৰি মুক্তিৰ পথ দান কৰা শংকৰদেৱে কেনেদৰে অসমীয়া সমাজ, ভাষা-সাহিত্য-সংস্কৃতি এই আটাইকেইটা দিশ নতুন ৰূপত ৰূপায়িত কৰিলে সেই বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ লগতে সাম্প্রতিক সময়ত তেওঁৰ প্রাসংগিকতা সম্পর্কেও আলোচনা দাঙি ধৰা হৈছে। পাঠ্যবিষয়টিৰ দ্বিতীয় আৰু তৃতীয় অধ্যায়ত ক্রমে শংকৰদেৱৰ দুটি ৰচনা — *ৰুক্মিণী হৰণ কাব্য* আৰু *কীর্তন* পুথিৰ সম্যক পৰিচয় দাঙি ধৰাৰ লগতে *কীর্তন* পুথিৰ অন্তর্গত 'অজামিল উপাখ্যান' পাঠটিৰ আধাৰত তেওঁ প্রচাৰ কৰা ধর্ম মতৰ আধ্যাত্মিক তত্ত্বৰ বিশ্লেষণ আগবঢ়োৱা হৈছে।

অসমীয়া সাহিত্য জগতৰ এজন যুগস্রষ্টা সাহিত্যিক লক্ষীনাথ বেজবৰুৱা। তেওঁৰ চাৰিটা দশকযো�ৱা সাহিত্য-চর্চাই ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা বিংশ শতিকাৰ ত্রিশৰ দশকলৈকে অসমীয়া সাহিত্যৰ ইতিহাস উজলাই ৰাখিছে। অসমীয়া সাহিত্যৰ হয়তু এনে এটা দিশ নাই, য'ত বেজবৰুৱাৰ অৱদান নাই। গল্প, নাটক, উপন্যাস, কবিতা, গীত, ব্যংগ ৰচনা আদি সাহিত্যৰ প্রতিটো বিভাগতে তেওঁৰ অসামান্য সাহিত্যিক প্রতিভাৰ স্বাক্ষৰ দেখা যায়। বিবিধ সাহিত্যকৃতিৰে 'বেজবৰুৱা যুগ'ৰ সৃষ্টি কৰা এইগৰাকী লেখকৰ ৰচনাসমূহ অসমীয়া সাহিত্যৰ একো একোটা মহান সম্পদ। অসমীয়া সাহিত্য-সংস্কৃতিলৈ তেওঁৰ অৱদান আৰু প্রাসংগিকতা সম্পর্কে পাঠ্যবিষয়টিৰ চতুর্থ অধ্যায়ত আলোচনা কৰা হৈছে। পঞ্চম, ষষ্ঠ আৰু পাঠ্যবিষয়টিৰ শেষৰটো অধ্যায়ত ক্রমানুসাৰে বেজবৰুৱাৰ তিনি ধৰণৰ ৰচনা — কবিতা (ধনবৰ আৰু ৰতনী), চুটিগল্প (স্বর্গাৰোহণ) আৰু ব্যংগাত্মক নিবন্ধ (ভাৰত উদ্ধাৰ) সম্পর্কে আলোচনা কৰি তেওঁৰ সাহিত্যকৃতিৰ চমু আভাস আপোনাক প্রদান কৰিব বিচৰা হৈছে।

প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে এই পাঠবিষয়টিত সন্নিৱিষ্ট *ৰুক্মিণী হৰণ কাব্যৰ* মূলপাঠ পাঠবিষয়টিত সন্নিৱিষ্ট কৰা নাই। সেয়া আপুনি পৃথকে সংগ্রহ কৰি অধ্যয়ন কৰাটো বাঞ্ছনীয়। আনহাতে 'ধনবৰ আৰু ৰতনী' কবিতাটোৰ মূলপাঠ অধ্যায়টিতে সন্নিৱিষ্ট কৰি দিয়া হৈছে আৰু বাকী পাঠসমূহ কিছু দীঘলীয়া হোৱা হেতুকে পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়ৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৱথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এইখন পাঠ্যবিষয়টিৰ অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান আৰু প্ৰাসংগিকতা** 5–25
অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান আৰু প্ৰাসংগিকতা ঃ অসমীয়া সাহিত্যলৈ শংকৰদেৱৰ অৱদান, সাম্প্ৰতিক সময়ৰ অসমীয়া জাতীয় জীৱনত শংকৰদেৱৰ প্ৰাসংগিকতা

অধ্যায় ২ ঃ ***ৰুক্মিণী হৰণ কাব্য*** 26–40
ৰুক্মিণী হৰণ কাব্য ঃ কাব্যৰ মূল আৰু বিষয়বস্তুৰ সাধাৰণ আভাস, সামগ্ৰিক আলোচনা, চৰিত্ৰ সৃষ্টি, ৰস, ছন্দ আৰু অলংকাৰ প্ৰয়োগ, কাব্যিক সৌন্দৰ্য

অধ্যায় ৩ ঃ ***কীৰ্তন*** 41–56
*কীৰ্তন*ৰ সাধাৰণ পৰিচয় ঃ ৰস, ছন্দ আৰু অলংকাৰৰ প্ৰয়োগ, কাব্যিক সৌন্দৰ্য; অজামিল উপাখ্যান ঃ সাধাৰণ আলোচনা (আধ্যাত্মিক তত্ত্ব)

অধ্যায় ৪ ঃ **অসমীয়া সাহিত্য-সংস্কৃতিলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান আৰু প্ৰাসংগিকতা** 57–68
অসমৰ সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান; সাম্প্ৰতিক সময়ৰ অসমীয়া জাতীয় জীৱনত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰাসংগিকতা

অধ্যায় ৫ ঃ **ধনবৰ আৰু ৰতনী** 69–79
'ধনবৰ আৰু ৰতনী' ঃ মূল পাঠ, কবিতাটোৰ বিষয়বস্তু, ৰমন্যাসিক চিন্তাৰ প্ৰতিফলন, কৃত্ৰিম বেলাড হিচাপে 'ধনবৰ আৰু ৰতনী'

অধ্যায় ৬ ঃ **স্বৰ্গাৰোহণ** 80–90
স্বৰ্গাৰোহণ ঃ গল্পটোৰ কাহিনীভাগ, গল্পটোৰ সাধাৰণ আলোচনা

অধ্যায় ৭ ঃ ***কৃপাবৰ বৰুৱাৰ ওভতনি*— 'ভাৰত উদ্ধাৰ'** 91–102
কৃপাবৰ বৰুৱাৰ ওভতনি — সামগ্ৰিক আলোচনা; ভাৰত উদ্ধাৰ ঃ নিবন্ধটোৰ বিষয়বস্তু, নিবন্ধটোৰ সাধাৰণ আলোচনা

প্ৰসঙ্গ পুথি 103–104

পৰিশিষ্ট (i) - (xvi)

বিষয় বিশেষজ্ঞ মণ্ডলী

ড^{0} শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্ৰাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড^{0} দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড^{0} মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড^{0} মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১, ২, ৩	গীতার্থ প্রতিম শইকীয়া এ. ডি. পি কলেজ, নগাঁও
৪, ৬, ৭	চাহিন জাফ্ৰি এ. ডি. পি কলেজ, নগাঁও
৫	কৌশিক কলিতা গৱেষক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড^{0} মিলন নেওগ এ. ডি. পি কলেজ, নগাঁও
গাঁথনিক সম্পাদনা	ঃ	ড^{0} মৃণাল জ্যোতি গোস্বামী
আৰ্হি কাকত	ঃ	ড^{0} জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ ডিচেম্বৰ, 2019 **ISBN:**.....

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

GAS S6 04 (M)

Exam Code: ASM6D

নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন

ষষ্ঠ ষাণ্মাসিক

অসমীয়া



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়